প্ৰেছ বাৰ্তা নং ঃ ৯০/২০২৩

# গুৱাহাটীত শুভাৰম্ভ প্ৰাকৃতিক কৃষি সন্মিলন

## প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাই কৃষকক অৰ্থনৈতিক নিৰাপত্তা প্ৰদান কৰিছে ঃ মুখ্যমন্ত্ৰী

## প্ৰাকৃতিক কৃষিয়ে স্বাস্থ্য আৰু আৰ্থিক উত্তৰণৰ পথ প্ৰশস্ত কৰিছে

**দিছপুৰ, ১৯ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কয় যে অসমৰ দৰে বানপানী প্ৰৱণ ৰাজ্যত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ দৰে আঁচনিয়ে বাৰুকৈয়ে সহায় আগবঢ়াইছে।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাকৃতিক কৃষি সন্মিলনত ফচল বীমা যোজনাৰ আৰ্থিক সাহায্য আনুষ্ঠানিকভাৱে বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই যোজনাই বানপানীৰ সংকটৰ পৰা নিজকে ৰক্ষা কৰিবলৈ কৃষকসকলক নিৰাপত্তা প্ৰদান কৰিছে।

উল্লেখ্য যে যোৱা তিনিটা বতৰত প্ৰধানমন্ত্ৰী ফচল যোজনাৰ অধীনত ৰাজ্যৰ প্ৰায় ৩,০২,৪৬৫ গৰাকী কৃষকক ২৩৬ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কৃষকৰ পৰা মাত্ৰ ১০০ টকা সুদ হিচাপে লৈ বিনামূলীয়াকৈ প্ৰিমিয়াম প্ৰদান কৰি অৰ্থনৈতিক সকাহ প্ৰদান কৰিছে। কৃষকসকলক অৰ্থনৈতিক সুৰক্ষা প্ৰদানৰ দিশত এয়া এক উল্লেখযোগ্য পদক্ষেপ। ড° শৰ্মাই লগতে কয় যে যিসকল কৃষকে সমবায় সমিতিৰ জৰিয়তে গাখীৰ বিক্ৰী কৰে তেওঁলোকক ৰাজ্য চৰকাৰে ৰাজসাহায্য হিচাপে প্ৰতি লিটাৰত ৫ টকাকৈ প্ৰদান কৰিব।

এই সন্মিলন আয়োজন কৰাৰ বাবে কৃষি বিভাগক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৃষিৰ বিকল্প হিচাপে প্ৰাকৃতিক কৃষি পদ্ধতি থকাটো নিশ্চিত। কাৰণ আধুনিক অজৈৱিক কৃষি পদ্ধতিৰ দ্বাৰা যদিও অধিক উৎপাদন হয়, কিন্তু ই পৰিৱেশৰ লগতে মাটিৰ গুণাগুণো হ্ৰাস কৰে। সেয়েহে ৰাজ্য চৰকাৰে কৃষি উৎপাদন বৃদ্ধিৰ বাবে প্ৰাকৃতিক কৃষিৰ সদ্ব্যৱহাৰ কৰাৰ লগতে কৃষিকৰ আয় দুগুণ কৰাত সহায় কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ লগতে প্ৰাকৃতিক কৃষিক এক জন আন্দোলনলৈ ৰূপান্তৰিত কৰি অসমক প্ৰাকৃতিক কৃষিৰ আদৰ্শ ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে কৃষকসকলক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। প্ৰাকৃতিক কৃষিয়ে স্বাস্থ্য আৰু আৰ্থিক উত্তৰণৰ পথ প্ৰশস্ত কৰিছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্জ্বলন কৰি গুজৰাটৰ ৰাজ্যপাল আচাৰ্য দেৱব্ৰতে এই সন্মিলনৰ শুভ উদ্বোধন কৰাৰ লগতে ভাষণো প্ৰদান কৰে। এই সন্মিলনত কৃষি মন্ত্ৰী অতুল বৰাইও ভাষণ প্ৰদান

কৰে। এই সন্মিলনত গুজৰাটৰ ৰাজ্যপাল আচাৰ্য দেৱব্ৰতৰ সহধৰ্মিনী দৰ্শনা দেৱী, উত্তৰাখণ্ডৰ কৃষি মন্ত্ৰী গণেশ যোশী, অসম চৰকাৰৰ ৰাজহ আদি বিভাগৰ মন্ত্ৰী যোগেন মোহন, শক্তি আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা প্ৰমুখ্যে কেইবাগৰাকী কৃষি বিজ্ঞানী, প্ৰগতিশীল কৃষক উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই গুজৰাটৰ ৰাজ্যপালন আচাৰ্য দেৱব্ৰতৰ সৈতে স্থানীয় উদ্যোগীসকলে প্ৰদৰ্শন কৰা কেইবাবিধো জৈৱিক সামগ্ৰীৰ এক প্ৰদৰ্শনী উদ্বোধন কৰে।

**সুঃদঃ / হেঃশঃ**
**১৯/৫/২০২৩**